# সৰ্বাত্মক শিক্ষা

**সৰ্বাত্মক শিক্ষাৰ ধাৰণা ঃ**

সৰ্বাত্মক শিক্ষা হ'ল এনে এক শিক্ষা পদ্ধতি য'ত একেটা শ্ৰেণীকোঠাতে বা একেখন বিদ্যালয়তে জাতি, বৰ্ণ, ধৰ্ম, লিংগ, ভাষা, বিশেষ প্ৰয়োজন সম্পন্ন আদি সকলো শিশুকে তেওঁলোকৰ সকলো সাধাৰণ আৰু বিশেষ প্ৰয়োজন পূৰণ কৰি শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হয় এই শিক্ষা ব্যৱস্থাত শিক্ষাৰ অধিকাৰ আইন ২০০৯ৰ জৰিয়তে ৬—১৪ বছৰৰ ভিতৰৰ সকলো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সুবিধা দিয়াৰ ব্যৱস্থা আছে। তদুপৰি বিশেষ প্ৰয়োজন সম্পন্ন শিশুসকলক ৬—১৮ বছৰ বয়স পৰ্যন্ত সামৰি লোৱা হৈছে। সেয়েহে বিশেষ প্ৰয়োজন সম্পন্ন শিশুসকলক তেওঁলোকৰ সকলো প্ৰয়োজনীয়তা পূৰণ কৰাটো বাধ্যতামূলক এই ক্ষেত্ৰত শিশুসকল কেতিয়াও সমস্যা হ'ব নোৱাৰে তাৰ পৰিৱৰ্তে সকলো শৈক্ষিক উপকৰণ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুযায়ী সমাযোজন কৰাটো (adaptation) কৰি লোৱাটোহে প্ৰধান কাম। এই ক্ষেত্ৰত তিনিটা দিশৰ সমাযোজন (adaptation) কৰি ল'ব লাগে।

- আন্তঃগাঁঠনিৰ সমাযোজন (Infrastructural adaptation)
- পাঠ্যক্ৰমৰ সমাযোজন (Curriculum adaptation)
- সামাজিক আৰু আচৰণগত সমাযোজন (Social and attitudinal adaptition)

**সমন্বিত শিক্ষা আৰু সৰ্বাত্মক শিক্ষাৰ পাৰ্থক্য ঃ**

— সমন্বিত শিক্ষাৰ ব্যৱস্থাত শিশুজনক সমস্যা হিচাপে গণ্য কৰা হয়। কিন্তু সৰ্বাত্মক শিক্ষাত শৈক্ষিক পৰিৱেশ সমাযোজন কৰাটোহে সমস্যা হিচাপে গণ্য কৰা হয়।

— সমন্বিত শিক্ষা ব্যৱস্থাত পৰিৱেশৰ সমাযোজনৰ প্ৰতি গুৰুত্ব প্ৰদান নকৰাকৈ শিশুজনক সমাযোজন কৰাত অধিক গুৰুত্ব দিয়া হয়।

কিন্তু সৰ্বাত্মক শিক্ষাৰ ব্যৱস্থাত সাধাৰণ শিশুসকলৰ লগত বিশেষ প্ৰয়োজন সম্পন্ন শিশুজনে কোনো সমস্যাৰ সন্মুখীন নোহোৱাকৈ নিজকে সাধাৰণ শিশুৰ লগত সমভাবে অংশগ্ৰহণ কৰি শিক্ষা লাভ কৰিব পৰাকৈ সকলো সা-সুবিধাৰ সমাযোজন কৰাটো বাধ্যতামূলক।

**সৰ্বাত্মক শিক্ষা ব্যৱস্থাৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

❖ সমাজ আৰু বাধাগ্ৰস্ত শিশুৰ মাজৰ ব্যৱধান আঁতৰোৱা।

❖ প্ৰত্যেক শিশুকে শিক্ষাৰ অধিকাৰ প্ৰদান কৰা।

❖ বাধাগ্ৰস্ত শিশুসকলৰ প্ৰতি সমাজৰ ইতিবাচক মনোভাৱ গঢ়ি তোলা।

❖ বাধাগ্ৰস্ত শিশুসকলৰ মনত আত্মবিশ্বাস গঢ়ি তোলা আৰু ব্যক্তিত্বৰ বিকাশত সহায় কৰা যাতে তেওঁলোকে ভৱিষ্যতে সমাজৰ আৰ্থ সামাজিক উন্নয়নত সাক্ষৰ ৰাখিব পাৰে।

**সৰ্বাত্মক শিক্ষাৰ ব্যৱস্থাৰ সুফল ঃ**

❖ শিশুৰ গ্ৰহণযোগ্যতা।

❖ বাধাগ্ৰস্ততাৰ প্ৰতি সমাজ সজাগ হয়।

❖ বাধাগ্ৰস্ত শিশুসকলে আন সমনীয়াৰ পৰা শিকাব সুবিধা পায়।

❖ শিশুসকলৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠে।

## বাধাগ্ৰস্ততা বুলিলে কি বুজায় ?

বাধাগ্ৰস্ততা হ'ল এনে এটি অৱস্থা যি সাধাৰণতে অধিকাংশ লোকে কৰিব পৰা কাম বাধাগ্ৰস্তজনে কৰিব নোৱাৰে। এজন লোকৰ শিক্ষাগত, সামাজিক, বৃত্তিমূলক নাইবা অন্যান্য ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি নকৰালৈকে ব্যক্তিজনক বাধাগ্ৰস্ত বুলি ক'ব পৰা নাযায়।

**বাধাগ্ৰস্ততাৰ প্ৰকাৰ ঃ** বাধাগ্ৰস্ততাক সাধাৰণতে নিম্নলিখিত প্ৰকাৰত ভাগ কৰিব পাৰি।

১। **দৃষ্টিহীন** (Blindness) ঃ ব্যক্তি বা শিশু এজনৰ দৃষ্টি ক্ষমতা সম্পূৰ্ণ ৰূপত লোপ পায় বা দৃষ্টিশক্তিৰ অভাৱ হয় তেনে অৱস্থাকে দৃষ্টিহীন বোলে।

২। **ক্ষীণদৃষ্টি** (Low vission) ঃ ক্ষীণ দৃষ্টি হ'ল এনে এটি অৱস্থা য'ত ব্যক্তি বা শিশু এজনে খালী চকুৰে চোৱাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হয়। ক্ষীণ দৃষ্টি সম্পন্ন শিশু বা ব্যক্তিয়ে পৰিবাহি সঁজুলী, চশমাৰ (Special lence) সহায়ত পঢ়ি লিখিব পাৰে লগতে এনে শিশু বা ব্যক্তিৰ ক্ষেত্ৰত শিক্ষণ কৌশলৰ সাৱলীলকৰণৰ প্ৰয়োজন হয়।

৩। **শ্ৰৱণ বাধাগ্ৰস্ত** (Hearing Impairment) ঃ যেতিয়া শিশু বা ব্যক্তি এজনৰ শব্দ শুনাৰ ক্ষেত্ৰত অসুবিধা হয় লগতে তাৰ প্ৰতিক্ৰিয়া প্ৰকাশৰ ক্ষেত্ৰতো অসুবিধাৰ সৃষ্টি হয়। তেনে অৱস্থাকে শ্ৰৱণ বাধাগ্ৰস্ত বুলি কোৱা হয়।

৪। **কথন বাধাগ্ৰস্ত** (Speech Impairment) ঃ যেতিয়া কোনো ব্যক্তি বা শিশু এজনৰ শব্দ উচ্চাৰণ আৰু প্ৰকাশত অসুবিধা হয় তেনে ব্যক্তি বা শিশুক কথন বাধাগ্ৰস্ত বুলি কোৱা হয়।

৫। **অংগ সঞ্চালনৰ বাধাগ্ৰস্ত** (Locomotor Disability) ঃ কোনো ব্যক্তি বা শিশুৰ হাড়, হাড়ৰ জোৰা বা মাংসপেশীৰ অক্ষমতাৰ বাবে অংগ বা শৰীৰৰ কোনো অংশ সঞ্চালনৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'লে তেনে ব্যক্তি বা শিশুক অংগ সঞ্চালনৰ বাধাগ্ৰস্ত বুলি কোৱা হয়।

৬। **মানসিক বাধাগ্ৰস্ত** (Mental Retardalion) ঃ যদি কোনো শিশুৰ বুদ্ধিমত্তা একে বয়সৰ আন শিশুতকৈ তুলনামূলকভাৱে কম হয় আৰু অনিয়ন্ত্ৰিত সামাজিক আচৰণ দেখুৱাই তেনে শিশুকে মানসিক বাধাগ্ৰস্ত বুলি কোৱা হয়।

৭। **মগজুৰ প্ৰক্ষাঘাত** (Cereleral palsy) ঃ মগজুৰ আঘাতৰ ফলত যেতিয়া কোনো ব্যক্তিৰ পেশী সঞ্চালনত অস্বাভাৱিকতা, শাৰীৰিক দুৰ্বলতা সমন্বয়ৰ অভাৱ তথা নিয়ন্ত্ৰণহীন শাৰীৰিক ভাৰসাম্যতা দেখা দিয়ে তেনে অৱস্থাকে মগজুৰ প্ৰক্ষাঘাত বুলি কোৱা হয়।

৮। **অটিজিম** (Autism) ঃ অটিজিম হ'ল এটা বিকাশজনিত বাধাগ্ৰস্ততা যি জন্মৰ পৰা তিনি বছৰৰ ভিতৰত দেখা দিয়ে। ইয়াৰ সাধাৰণ লক্ষণসমূহ হ'ল — এনে শিশু একঘেয়মীয়তা, পুনৰাবৃত্তি আৰু আত্মাউদ্দীপনামূলক আচৰণ দেখুৱাই তথা চৌপাশৰ পৰিৱেশৰ লগত নিজকে সংযুক্ত কৰাত অসমৰ্থ হয়।

৯। **শিকন অসমৰ্থতা** (Low vission) ঃ সাধাৰণতে যিসকল শিশুৰ লিখা, পঢ়া, অংক কৰা তথা কোনো নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম এটা মনোযোগেৰে সম্পন্ন কৰাৰ অসমৰ্থতা থাকে তেনে শিশুক শিকন বাধাগ্ৰস্ত বুলি কোৱা হয়। যদি এনেকুৱা শিশুৰ ক্ষেত্ৰত বিশেষ যত্ন লোৱা নহয় তেতিয়া শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱাৰ লগতে আধাতে বিদ্যালয় বহিৰ্ভূত হোৱা দেখা যায়।

১০। **একাধিক বাধাগ্ৰস্ত** (Multiple Disability) ঃ যদি কোনো ব্যক্তিৰ ক্ষেত্ৰত দুটা বা ততোধিক বাধাগ্ৰস্ততা সংযুক্ত হৈ থাকে তেনে ব্যক্তিক একাধিক বাধাগ্ৰস্ত বুলি কোৱা হয়।

ওপৰোক্ত বাধাগ্ৰস্ত সমূহৰ যদি কোনো এটা বাধাগ্ৰস্ত এজন শিশুৰ ক্ষেত্ৰত দেখা যায় তেনে শিশুক "বিশেষ প্ৰয়োজন সম্পন্ন শিশু বা CWSN (Children with Special Needs) বুলি কোৱা হয়।

**আমাৰ দায়িত্ব ঃ**

সাধাৰণ বিদ্যালয়ত বাধাগ্ৰস্ত শিশুসকলৰ সমন্বিত শিক্ষা ব্যৱস্থা।

শিক্ষা সঁজুলি, ইউনিফৰ্ম, পাঠ্যপুথি, বৃত্তি প্ৰদান।

পাঠ্যক্ৰমৰ সৰলীকৰণ।

শিক্ষক প্ৰশিক্ষণ।

মূল্যায়ন পদ্ধতিৰ প্ৰয়োজন অনুসৰি পৰিৱৰ্তন।

বিদ্যালয়ত বাধাগ্ৰস্ত শিশুৰ বাবে বন্ধুসুলভ আৰু বাধাহীন পৰিৱেশৰ সৃষ্টি।

ৰাইজ আৰু শিশুৰ পিতৃ-মাতৃসকলক সচেতন কৰা।

**পিতৃ-মাতৃ তথা অভিভাৱকৰ প্ৰতি—**

(ক) নিজৰ বাধাগ্ৰস্ত শিশুটিক পৰিয়ালৰ সকলোৰে সমদৃষ্টিৰে চাওঁক আৰু সমানে আঁকোৱালি লওক।

(খ) শিশুটিৰ শিক্ষা গ্ৰহণত সহায় কৰক।

(গ) সহায়ক সা-সঁজুলিসমূহৰ উচিত ব্যৱহাৰ কৰক।

(ঘ) শিশুটিৰ সৰ্বাংগীণ উৎকৰ্ষ সাধনত সহায় কৰক।

**শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকললৈ—**

(ক) বিদ্যালয়ত অনুকূল বাতাবৰণ সৃষ্টি কৰক।

(খ) বিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচীসমূহত ছাত্ৰ-ছাত্ৰীসকলক সমানে অংশগ্ৰহণ কৰিবলৈ সুবিধা দিয়ক।

(গ) শ্ৰেণী কোঠাত উপযুক্ত ব্যৱস্থাপনা কৰক।

(ঘ) বন্ধুত্বসুলভ আচৰণ কৰক।

**ৰাইজৰ প্ৰতি-**

(ক) বাধাগ্ৰস্ততা সম্পৰ্কে থকা অন্ধবিশ্বাস, কু-সংস্কাৰ, ভ্ৰান্ত ধাৰণা আঁতৰ কৰি এনে শিশুক আঁকোৱালি লওক।

(খ) বাধাগ্ৰস্ত লোকসকলক সম-মৰ্যাদা দিয়ক আৰু তেওঁলোকৰ অধিকাৰসমূহক সুৰক্ষা দিয়ক।

(গ) বাধাগ্ৰস্ত লোকসকলৰ বাবে থকা বিভিন্ন চৰকাৰী-বেচৰকাৰী সা-সুবিধা, কাৰ্যসূচী তথা বিভিন্ন আইনসমূহ সফল ৰূপায়ণত নিশ্চিত ভূমিকা পালন কৰক।